# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date : 05-10-2025**
**Time : 1205 Hrs**

## ***Assamese Mid-day Bulletin***

বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে চতুৰ্থবাৰৰ বাবে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্যৰূপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ উদ্দেশ্যে কোকৰাঝাৰৰ বিটিচি সচিবালয় খেলপথাৰত ক্ষন্তেক সময়ৰপূৰ্বে শপতগ্ৰহণ অনুষ্ঠান আৰম্ভ হৈছে। এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যৰ লগতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু কেইবাগৰাকীও মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিছে। শ্ৰীমহিলাৰীৰ শপতগ্ৰহণ অনুষ্ঠানৰ প্ৰথম পৰ্যায়ত আজি ১০ গৰাকী পাৰিষদে বিটিচিৰ কাৰ্যবাহী সদস্য হিচাপে শপত ল'ব। ইয়াৰ আগেয়ে দোতমাৰ থুলুংগাপুৰীত থকা বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ সমাধিস্থলত মহিলাৰীয়ে শ্ৰদ্ধাঞ্জলি জনায়। তেওঁ দেৱৰগাঁৱত থকা বড়োলেণ্ড ছহিদ সমাধিস্থল আৰু বিচিটি বিধায়িনী পৰিষদীয় ভৱনৰ সন্মুখত থকা বডোফা প্ৰতিমূৰ্তিতো মাল্যাৰ্পণ কৰে।

০০০০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ে নতুন দিল্লীৰ কেন্দ্ৰীয় ফৰেনচিক পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰা জুবিন গাৰ্গৰ ভিছেৰাৰ প্ৰতিবেদন অহা ১০ অক্টোবৰত লাভ কৰিব পৰা যাব আৰু ইয়াৰ পাছতেই মৰণোত্তৰ পৰীক্ষাৰ চূড়ান্ত প্ৰতিবেদন চিকিৎসকে দাখিল কৰিব। এই প্ৰতিবেদনৰ পিছতহে শিল্পীগৰাকীৰ মৃত্যু সন্দৰ্ভত প্ৰকৃত তথ্য পোৱা যাব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত ৰাজ্য চৰকাৰে কালি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ অধ্যক্ষতাত এখন ন্যায়িক আয়োগ গঠন কৰে। এই আয়োগে ঘটনাটোৰ সকলো দিশ চালি-জাৰি চাবলৈ সাক্ষ্য প্ৰমাণ আৰু শপতনামা গ্ৰহণ কৰিব। জুবিন গাৰ্গৰ মৃত্যুৰ ক্ষেত্ৰত কাৰোবাৰ ইচ্ছাকৃত অৱহেলা আছিল নেকি সেই বিষয়ে আয়োগে পৰ্যালোচনা কৰিব বুলি অধিবক্তা ভাস্কৰ দেৱ কোঁৱৰে প্ৰকাশ কৰে। এই সন্দৰ্ভত তেওঁ এইদৰে কয়-

***-বাইট-***

০০০০০০০

গুৱাহাটীৰ দীঘলীপুখুৰীৰ সমীপৰ লক্ষীধৰ বৰা ক্ষেত্ৰত কালি অসম গণ পৰিষদে জুবিন গাৰ্গৰ প্ৰতি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত অগপৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰ লগতে সমৰ হাজৰিকা, জে পি দাস, উপকূল বৰদলৈ, ডাঃ অঞ্জনজ্যোতি চৌধুৰী, সন্ধ্যা মেনন আদিকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ-কনিষ্ঠ শিল্পী তথা গুণমুগ্ধই জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ উপৰি সদৌ অসম উকীল সন্থা, টাই আহোম ছাত্ৰ সন্থা, বড়ো সাহিত্য সভা আদিকে ধৰি বিভিন্ন সংগঠনে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ইফালে, অহা ১৪ অক্টোবৰত অগপৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজন কৰা জনসভা আৰু ইয়াৰ লগত সংগতি ৰাখি অহা ১৩ অক্টোবৰত গুৱাহাটীত আয়োজন কৰা

ৰাজনৈতিক সমাৱৰ্তনখন জুবিন গাৰ্গৰ বিয়োগৰ বাবে স্থগিত ৰখা হৈছে বুলি কালি অগপৰ সভাপতি অতুল বৰাই ঘোষণা কৰে।

০০০০০০০

তিনিচুকীয়া জিলাত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আজি জুবিন গাৰ্গৰ ৰাজহুৱা শ্ৰাদ্ধানুষ্ঠানৰ আয়োজন কৰা হৈছে। তিনিচুকীয়া নগৰ আৰু ৰূপাই অঞ্চলত আয়োজিত এই শ্ৰাদ্ধানুষ্ঠানত জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁৰ গীতসমূহৰ দ্বাৰা স্মৃতিচাৰণ কৰা হ'ব। সন্ধিয়া অঞ্চলটোৰ দোকান-পোহাৰ আৰু বাসগৃহত বন্তি প্ৰজ্বলন কৰা হ'ব।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে ৰূপায়ণ কৰা আদি কৰ্মযোগী অভিযান ৰাজ্যৰ বিভিন্ন জিলাত ৰূপায়ণ কৰা হৈছে। সেৱা, নিষ্ঠা আৰু সংকল্প নীতিৰ দ্বাৰা পৰিচালিত এই অভিযানৰ জৰিয়তে সমগ্ৰ দেশৰ ৩০খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১ লাখ জনজাতীয় গাঁও, ৩ হাজাৰ উন্নয়ন খণ্ড আৰু ৫৫০ খন জিলাক সামৰি লোৱা হৈছে। ইয়াৰ দ্বাৰা জনজাতীয় অঞ্চলত ৰূপান্তৰ সাধনৰ বাবে ২০ লাখ জনজাতীয় কেডাৰ সৃষ্টি কৰাৰ লক্ষ্য লোৱা হৈছে। যোৰহাট জিলাতো এই অভিযান ৰূপায়ণ কৰা হৈছিল। জিলাখনৰ ৩০ খন জনজাতীয় গাঁও চিনাক্ত কৰি এই কাৰ্যসূচী লোৱা হৈছে। ইয়াৰ অংশ হিচাপে যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালক বিদ্যালয়ত তিনিদিনীয়াকৈ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনৰ পাঁচগৰাকী বিষয়াই এই প্ৰশিক্ষণত অংশ লৈ কৰ্মচাৰীসকলক প্ৰশিক্ষণ দিয়ে। তদুপৰি যোৰহাট জিলাৰ বিভিন্ন জনজাতীয় গাঁও এই অভিযানৰ অধীনত কৰ্মশালা অনুষ্ঠিত হৈছে। জিলাখনৰ উত্তৰ-পশ্চিম উন্নয়ন খণ্ডৰ ১৬খন, পূব টীয়কৰ তিনিখনকে ধৰি ৩০ খন গাঁওসভা অনুষ্ঠিত হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০

**সমাপ্ত**